**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 21-03-2025 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। ৰাজ্যসভাত আজি দিল্লী উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ য়শৱন্ত বাৰ্মাৰ ঘৰত বৃহৎ পৰিমাণৰ নগদ ধন উদ্ধাৰ হোৱা বিষয়টো উত্থাপন কৰা হয়।

২। অসম বিধানসভাৰ দ্বাদশ দিনাও আজি শাসক বিৰোধীৰ মাজত বিভিন্ন বিষয় লৈ বিতৰ্ক অনুষ্ঠিত হয়।

৩। খালিস্তানী নেতা তথা সাংসদ অমৃত পাল সিঙৰ সাতজন সহযোগীক আজি আৰক্ষীৰ কটকটীয়া বেষ্টনীৰ মাজত পঞ্জাবৰ অমৃতসৰৰ আজনালা আদালতত হাজিৰ কৰোৱা হয়।

৪। ইন্দোনেছিয়াত আজি মাউণ্ট লেব'ট'বি লাকি লাকি আগ্নেয়গিৰি তিনিবাৰকৈ উদগীৰণ হয়।

*আৰু*

৫। ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ পৰিষদে আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ বাবে বলত লালতি লগোৱা কাৰ্যত থকা নিষেধাজ্ঞা প্ৰত্যাহাৰ কৰিছে।

০০০০০০০

ৰাজ্যসভাত আজি দিল্লী উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ য়শৱন্ত বাৰ্মাৰ ঘৰত বৃহৎ পৰিমাণৰ নগদ ধন উদ্ধাৰ হোৱা বিষয়টো উত্থাপন কৰা হয়। সভাপতি জগদীপ ধনখড়ে এই বিষয়টোৰ দায়িত্ব গ্ৰহণ কৰি কয়, যে সদনৰ নেতা আৰু বিৰোধী দলৰ নেতাৰ সৈতে তেওঁ আলোচনা কৰি অধিৱেশনৰ সময়ছোৱাতে বিষয়টো সন্দৰ্ভত বিস্তৃত পৰ্যালোচনা চলাব। ইয়াৰ পূৰ্বে কংগ্ৰেছৰ সাংসদ জয়ৰাম ৰমেশে সদনৰ শূন্য কালত এই বিষয়টো উত্থাপন কৰি দিল্লী উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশৰ বাসগৃহত বৃহৎ পৰিমাণৰ নগদ ধন উদ্ধাৰ হোৱা ঘটনাটো অতি আশ্চৰ্যজনক বুলি মন্তব্য কৰে। তেওঁ সভাপতি জগদীপ ধনখড়ক ন্যায়িক খণ্ডক জবাবদিহি কৰাৰ গুৰুত্ব বৃদ্ধিৰ বাবে প্ৰস্তাৱ গ্ৰহণ কৰিবলৈ চৰকাৰক প্ৰয়োজনীয় নিৰ্দেশ দিবলৈ আহ্বান জনায়।

০০০০০০০

খালিস্তানী নেতা তথা সাংসদ অমৃত পাল সিঙৰ সাতজন সহযোগীক আজি আৰক্ষীৰ কটকটীয়া বেষ্টনীৰ মাজত পঞ্জাবৰ অমৃতসৰৰ আজনালা আদালতত হাজিৰ কৰোৱা হয়। আদালতে তেওঁলোকক ২৫ মাৰ্চলৈ আৰক্ষীৰ জিম্মাত দিয়ে। অমৃত পাল সিঙকে ধৰি এই সাতজন সহযোগী ৰাষ্ট্ৰীয় নিৰাপত্তা আইনৰ অধীনত অসমৰ ডিব্ৰুগড়ৰ কেন্দ্ৰীয় কাৰাগাৰত বন্দী হৈ আছিল। বন্দীত্বৰ ম্যাদ উকলি যোৱাৰ পাছত কালি তেওঁলোকক যোৱা বছৰ আজনালা আৰক্ষী থানাত আক্ৰমণৰ ঘটনা সন্দৰ্ভত আৰক্ষীয়ে পুনৰ গ্ৰেপ্তাৰ কৰি ডিব্ৰুগড়ৰ পৰা পঞ্জাবলৈ স্থানান্তৰ কৰে।

পঞ্জাৱ আৰক্ষীৰ এটা ২৫ জনীয়া দলে তেওঁলোকক কালি আইনী প্ৰক্ৰিয়া অনুসৰি পঞ্জাৱলৈ লৈ যায়। উল্লেখযোগ্য যে ৰাষ্ট্ৰীয় নিৰাপত্তা আইনৰ অধীনত গ্ৰেপ্তাৰ হোৱা অমৃত পাল সিং আৰু তেওঁৰ ৯ জন সহযোগীৰ

ভিতৰত ৭ জনৰ ওপৰত বলৱৎ থকা এই আইন শিথিল কৰাৰ বাবে পঞ্জাৱ চৰকাৰে সিদ্ধান্ত লৈছিল। অৱশ্যে সাংসদগৰাকীৰ লগতে পাপল প্ৰীত সিং আৰু ৰবীন্দৰ সিং জোহাল নামৰ আন দুজন সহযোগী ৰাষ্ট্ৰীয় নিৰাপত্তা আইনৰ অধীনত ডিব্ৰুগড় কেন্দ্ৰীয় কাৰাগাৰতে বন্দী হৈ থাকিব। তেওঁলোকৰ জিম্মাৰ ম্যাদ অহা মাহত শেষ হ'ব বুলি জানিব পৰা গৈছে যদিও আইনী প্ৰক্ৰিয়া সম্পূৰ্ণ হোৱা নাই। এই প্ৰক্ৰিয়া সম্পূৰ্ণ হোৱাৰ লগে লগে তেওঁলোককো স্থানান্তৰ কৰা হ'ব।

০০০০০০০

অসম বিধানসভাৰ দ্বাদশ দিনাও আজি শাসক বিৰোধীৰ মাজত বিভিন্ন বিষয় লৈ বিতৰ্ক অনুষ্ঠিত হয়। সদনৰ শূন্য কালত বিৰোধী দলপতি দেৱব্ৰত শইকীয়াই বিজেপিৰ ৰাজ্যসভাৰ সাংসদ সুধাংসু ত্ৰিবেদীয়ে কালি ৰাজ্যসভাত ধুবুৰী জিলাক বাংলাদেশৰ অংশ বুলি কৰা মন্তব্যৰ বিৰোধিতা কৰি অনাস্থা প্ৰস্তাৱ উত্থাপন কৰে। বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰীয়ে কয়, যে এই বিষয়টো পৰৱৰ্তী সময়ত আলোচনা কৰা হ'ব। বিৰোধী দলপতিগৰাকীয়ে ইয়াৰ পাছত সমগ্ৰ ৰাজ্যজুৰি কালি প্ৰধানমন্ত্ৰী আবাস যোজনা গ্ৰামীনৰ …… পত্ৰ প্ৰদান অনুষ্ঠানলৈ বটদ্ৰৱাৰ বিধায়ক শিৰামণি বৰাক আমন্ত্ৰণ নকৰাৰ বাবে সদনত চৰকাৰৰ বিৰুদ্ধে বিশেষাধিকাৰ ভংগৰ অভিযোগ তোলে। এই বিষয়টোলৈ সদনত বহু সময় ধৰি শাসক-বিৰোধীৰ মাজত তৰ্ক-বিতৰ্কও হয়। বিধায়ক শ্বেৰমান আলীয়ে বিধানসভাৰ অধিৱেশন চলি থকাৰ সময়ত বৰপেটাৰ জিলা আয়ুক্তই জিলাখনত বৈঠক অনুষ্ঠিত কৰাক লৈ জিলা আয়ুক্তগৰাকীৰ বিৰুদ্ধে বিশেষাধিকাৰ ভংগৰ অভিযোগ কৰি এই ক্ষেত্ৰত কোনো ব্যৱস্থা লোৱা হ'ব নে নাই বুলি প্ৰশ্ন উত্থাপন কৰে। অধ্যক্ষ বিশ্বজিৎ দৈমাৰীক আৰু মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে এই বিষয়টোও পৰৱৰ্তী সময়ত আলোচনা কৰা হ'ব বুলি উল্লেখ কৰে।

ইপিনে জলসিঞ্চন বিভাগ আৰু নলা-নৰ্দমাত জমা হোৱা পানী তথা জাবৰ নিষ্কাষণৰ বাবে ব্যৱহাৰ কৰা ছুপাৰ ছাকাৰ বাহন ক্ৰয়ৰ ক্ষেত্ৰত অনিয়ম হোৱাৰ অভিযোগ তুলি বিৰোধীপক্ষই সভা স্থগিতৰ প্ৰস্তাৱ উত্থাপন কৰে। কিন্তু অধ্যক্ষই এই প্ৰস্তাৱ নাকচ কৰাত বিৰোধী পক্ষৰ সদস্যসকলে এই বিষয়ত এখন সদন কমিটি গঠন কৰি দিবলৈ দাবী জনায়। কংগ্ৰেছ, এ আই উই ডি এফ, চি পি এম আৰু ৰাইজৰ দলে সদন কমিটি গঠনৰ বিষয়টোৰ প্ৰতি সমৰ্থন জনায়। কিন্তু অধ্যক্ষই এই বিষয়টো অমান্তি হোৱাত বিৰোধী পক্ষৰ সদস্যসকলে হাতে হাতে প্লে কাৰ্ড লৈ সদনৰ মজিয়ালৈ উঠি গৈ ধৰ্ণা দিবলৈ ধৰে। বিৰোধী সদস্যসকলে বহু সময় ধৰি প্ৰতিবাদ অব্যাহত ৰখাত অধ্যক্ষই ১০ মিনিটৰ বাবে সদন স্থগিত ঘোষণা কৰে।

০০০০০০০

কেন্দ্ৰীয় কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰী শিৱৰাজ সিং চৌহানে বিৰোধী দলসমূহক সদনত কৃষি সন্দৰ্ভত আলোচনা কৰাত সহযোগ কৰিবলৈ আহ্বান জনাইছে। তেওঁ কয়, যে সদনত এই বিষয়ত আলোচনা হ'লেহে কৃষকসকলৰ কল্যাণৰ বাবে গ্ৰহণ কৰা কামসমূহ আগবঢ়াই নিব পৰা যাব। সদনৰ বাহিৰত আজি সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয়, যে কেন্দ্ৰীয় চৰকাৰ সদনত কৃষকসকলৰ বিষয়সমূহ আলোচনা কৰিবলৈ সদায় সাজু আছে। কৃষকসকলৰ কল্যাণৰ বিষয়টোক মোদী চৰকাৰে অগ্ৰাধিকাৰ দিছে বুলি তেওঁ লগতে উল্লেখ কৰে।

০০০০০০০

ইন্দোনেছিয়াত আজি মাউণ্ট লেব'ট'বি লাকি লাকি আগ্নেয়গিৰি তিনিবাৰকৈ উদগীৰণ হয়। উদগীৰণৰ ফলত ৮ হেজাৰ ২০০ মিটাৰ ওপৰলৈকে ধোঁৱা আৰু ছাঁই বিয়পি পৰা পৰিলক্ষিত হয়। প্ৰশাসনে আগ্নেয়গিৰিৰ চৌপাশে বিপজ্জনক এলেকাৰ পৰিসৰ বৃদ্ধি কৰিছে। আগ্নেয়গিৰিটো থকা ইষ্ট নুছা টেংগাৰা প্ৰভিন্সৰ ফ্ল'ৰছ দ্বীপত যোৱা ৭টা দিনট শতাধিক ভূমিকম্পৰ জোকাৰণি অনুভূত হোৱাৰ লগতে ঘনাই আগ্নেয়গিৰিৰ উদ্গীৰণ হোৱা পৰিলক্ষিত হৈছে। যোৱা বছৰ এই আগ্নেয়গিৰি উদগীৰণৰ ফলত ৯ জন লোক নিহত হোৱাৰ লগতে ভালেসংখ্যক লোক আগত হৈছে।০০০ে

০০০০০০০

বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পীয়ুষ গোৱেলে ৪৫ হাজাৰ কোটি ডলাৰৰ সেৱা ৰপ্তানিৰ লক্ষ্যত উপনীত হোৱাৰ বাবে চৰকাৰ আৰু তথ্য প্ৰযুক্ত খণ্ডক যৌথ প্ৰতিশ্ৰুতিবদ্ধতাৰে কাম কৰিবলৈ আহ্বান জনাইছে। নতুন দিল্লীত কালি নাছকম গোলকীয় সমাৰেশত ভাষণ দি মন্ত্ৰীগৰাকীয়ে এইদৰে আহ্বান জনায়। শ্ৰীগোৱেলে ২০২৫-২৬ বিত্তীয় বৰ্ষত দেশত সেৱা ৰপ্তানিৰ পৰিমাণে সামগ্ৰী ৰপ্তানি চেৰ পেলাব পাৰে বুলি আৰু এই ক্ষেত্ৰত তথ্য প্ৰযুক্তি খণ্ডৰ অৱদান অগ্ৰণী হ'ব বুলি আশ্বাস ব্যক্ত কৰে। চলিত বৰ্ষত সেৱা ৰপ্তানী বৃদ্ধি পাই ৩৮ হাজাৰ কোটি ডলাৰৰ পৰা ৩৮ হাজাৰ ৫০০ ডলাৰ হ'ব পাৰে বুলি উল্লেখ কৰি মন্ত্ৰীগৰাকীয় কয়, যে ইয়াৰ ফলত গোলকীয় পৰ্যায়ত দেশৰ সেৱা খণ্ডৰ স্থিতি সবল হ'ব। শ্ৰীগোৱেলে তথ্য প্ৰযুক্তি খণ্ডৰ অতি ক্ষুদ্ৰ, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগ, পৰ্যটন, ব্যৱসায়িক হিচাপ ৰক্ষণ আৰু বিত্তীয় সেৱা ক্ষেত্ৰৰ দ্ৰুত বিকাশৰ বিষয়ে উল্লেখ কৰে আৰু খণ্ডটোত কৰ্ম সংস্থাপনৰ সুযোগ সৃষ্টিৰ সম্ভাৱনাত গুৰুত্ব আৰোপ কৰে। দেশৰ বিশাল প্ৰতিভাৰ সুবিধা গ্ৰহণ কৰি দেশলৈ গোলকীয় সামৰ্থ কেন্দ্ৰসমূহক আকৰ্ষিত কৰাৰ আৱশ্যকতাৰ বিষয়েও মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলত আমূল পৰিৱৰ্তন হৈছে আৰু অঞ্চলটোত উন্নত পথ, ৰে'ল আৰু বিমান যোগাযোগ ব্যৱস্থা গঢ়ি উঠিছে বুলি ছিকিমৰ মুখ্যমন্ত্ৰী প্ৰেম সিং তামাঙে উল্লেখ কৰিছে। মুখ্যমন্ত্ৰীগৰাকীয়ে কালি গেংটকৰ পলজোৰ ষ্টেডিয়ামত আয়োজিত অষ্টম উত্তৰ-পূব যুৱ মহোৎসৱত অংশগ্ৰহণ কৰি এইদৰে প্ৰকাশ কৰে। শ্ৰীতামাঙে উত্তৰ-পূৰ্বাঞ্চলক অষ্ট লক্ষ্মী হিচাপে স্বীকৃতি প্ৰদান আৰু উন্নতি ২০২৪, ষ্টাৰ্ট আপ ইণ্ডিয়া আৰু ষ্টেণ্ডআপ ইণ্ডিয়াৰ লেখীয়া উদ্যমৰ জৰিয়তে অঞ্চলটোলৈ অহৰহ সহায় সমৰ্থন আগবঢ়োৱাৰ বাবে প্ৰধানমন্ত্ৰীক ধন্যবাদ জ্ঞাপন কৰে। যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰালয়ৰ উদ্যোগত আয়োজিত এই অনুষ্ঠানত এন এছ এছৰ স্বয়ংসেৱক, নেহেৰু যুৱ কেন্দ্ৰ সংগঠনৰ সদস্য আৰু বিষয়াকে ধৰি উত্তৰ-পূৰ্বাঞ্চলৰ ৫৫২ গৰাকী অংশগ্ৰহণকাৰীয়ে ভাগ লৈছে।

০০০০০০০

উত্তৰাখণ্ডৰ চলিত বৰ্ষৰ চাৰি ধাম যাত্ৰাৰ বাবে পঞ্জীয়ন প্ৰক্ৰিয়া সম্প্ৰতি আৰম্ভ হৈছে। এইবেলি এই যাত্ৰাৰ বাবে আধাৰৰ জৰিয়তে পঞ্জীয়নৰ ব্যৱস্থা কৰা হৈছে। সেই অনুসৰি আগ্ৰহী ভক্তসকলে নিজৰ নিজৰ নাম পঞ্জীয়নৰ বাবে আধাৰ কাৰ্ডৰ বিস্তৃত তথ্য দাখিল কৰিব লাগিব।

চাৰি ধাম যাত্ৰাৰ সময়ত তীৰ্থযাত্ৰীসকল কোনো ধৰণৰ অসুবিধাৰ সন্মুখীন নোহোৱাটো নিশ্চিত কৰাৰ উদ্দেশ্যে ৬০ শতাংশ পঞ্জীয়ন অনলাইন ব্যৱস্থাৰ জৰিয়তে আৰু বাকী ৪০ শতাংশ অফলাইন ব্যৱস্থাৰে সম্পন্ন কৰা হ'ব। এই

প্ৰক্ৰিয়া অধিক ত্বৰান্বিত কৰি তোলাৰ উদ্দেশ্যে হৰিদ্বাৰ আৰু হৃষিকেশকে ধৰি যাত্ৰাপথৰ বিভিন্ন ঠাইত পঞ্জীয়ন কেন্দ্ৰৰ সংখ্যাও বৃদ্ধি কৰা হ'ব। আগ্ৰহী তীৰ্থযাত্ৰীসকলে registrationandtouristcare.uk.gov.in ৱেবছাইটৰ জৰিয়তে অনলাইন ব্যৱস্থাৰে নাম পঞ্জীয়ন কৰিব পাৰিব। তীৰ্থযাত্ৰীসকলৰ সুবিধাৰ প্ৰতি লক্ষ্য ৰাখি পৰ্যটন বিভাগে এইবেলি এই যাত্ৰাৰ ৪০ দিন পূৰ্বেই অনলাইন পঞ্জীয়নৰ প্ৰক্ৰিয়া আৰম্ভ কৰিছে।

০০০০০০০

ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ পৰিষদে আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ বাবে বলত লালতি লগোৱা কাৰ্যত থকা নিষেধাজ্ঞা প্ৰত্যাহাৰ কৰিছে। ইয়াৰ লগে লগে আই পি এল, কোভিড কালত থকা এই নিষেধাজ্ঞা প্ৰত্যাহাৰ কৰা প্ৰথমখন বৃহৎ পৰিসৰৰ লীগ খেল হিচাপে পৰিগণিত হ'ল। ২০২০ চনত মহামাৰীৰ সময়ছোৱাত আই চি চিয়ে বহু বছৰ পূৰ্বৰে পৰা চলি থকা বলত লালতি লগোৱা এই কাৰ্যৰ ওপৰত স্বাস্থ্যজনিত কাৰণত বাধা আৰোপ কৰিছিল। ২০২২ চনত আই চি চিয়ে এই নিষেধাজ্ঞা স্থায়ীভাৱে পালন কৰাৰ পোষকতা কৰে আৰু আই পি এলৰ খেলসমূহতো এই নিয়ম প্ৰযোজ্য হয়। আই পি এল আৰম্ভ হোৱাৰ পূৰ্বে যোৱা শনিবাৰে মুম্বাইত অধিনায়কসকলৰ সৈতে হোৱা এখন বৈঠকত এই সিদ্ধান্ত গ্ৰহণ কৰা হয়। ভাৰতৰ মহম্মদ স্বামীকে ধৰি ভাৰনন ফিলেণ্ডাৰ আৰু টীম ছুউডিয়ে বলত লালতি লগোৱা কাৰ্যই খেলত ছুইং আৰু ৰিভাৰ্ছ ছুইং বলিঙত সহায় কৰে বুলি ৰাজহুৱাভাৱে মন্তব্য কৰি এই প্ৰথা ঘূৰাই অনাৰ বাবে ওকালতি কৰিছিল।

০০০০০০০

সমাপ্ত